অধ্যায় ৯ ঃ আয়ুর্বেদৰ প্ৰধান আচাৰ্য্য আৰু তেওঁলোকৰ কৃতি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আয়ুর্বেদৰ প্ৰাৰম্ভিক আচাৰ্য্য

৯.৪ বৃহতত্রয়ী আৰু লঘুত্রয়ী

- ৯.৪.১ চৰকসংহিতা
- ৯.৪.২ সুশ্রুত আৰু সুশ্রুতসংহিতা
- ৯.৪.৩ বাগভট আৰু তেওঁৰ অষ্টাঙ্গসংগ্রহ/অষ্টাঙ্গহৃদয়
- ৯.৪.৪ মাধৱাচাৰ্য আৰু তেওঁৰ গ্রন্থ মাধৱনিদান
- ৯.৪.৫ শাৰঙ্গধৰ আৰু তেওঁৰ শাৰঙ্গধৰসংহিতা
- ৯.৪.৬ ভৱমিশ্র আৰু তেওঁৰ ভাৱপ্রকাশ

৯.৫ অন্যান্য সংহিতাসমূহ

৯.৬ আয়ুর্বেদৰ অন্যান্য আচাৰ্য্যসকল

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আয়ুর্বেদৰ প্রাচীন গ্রন্থসমূহৰ লগত চিনাকী হ'ব পাৰিব
- চৰকসংহিতাৰ বিষয়ে জানিব পাৰিব
- সুশ্রুতসংহিতাৰ বিষয়বস্তুৰ লগত পৰিচয় হ'ব পাৰিব
- আয়ুর্বেদ আচাৰ্য্যসকলৰ বিষয়ে অৱগত হ'ব পাৰিব
- আয়ুর্বেদৰ প্রধান প্রধান গ্রন্থসমূহৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

ইতিমধ্যে আপোনালোকে ইয়াৰ আগৰ অধ্যায়টোত আয়ুর্বেদ সম্পর্কে এটি পৰিচয়াত্মক জ্ঞান লাভ কৰি আহিছে। পৃথিৱীৰ অন্যান্য দেশসমূহত চিকিৎসা ব্যৱস্থা প্রণয়ন হোৱাৰ বহুকাল পূৰ্বেই ভাৰতবর্ষত চিকিৎসাশাস্ত্রৰ প্রচলন আছিল বুলি ইতিহাসবিদসকলে প্রমাণ দাঙি ধৰিছে।

প্ৰাচীন বৈদিক গ্ৰন্থসমূহতো বিভিন্ন চিকিৎসা বিষয়ক তথ্য পোৱা গৈছে। তিনি-চাৰি হাজাৰ বছৰৰ পূৰ্বেই বিভিন্ন মহৰ্ষিয়ে কায়চিকিৎসা-শল্য-শালাক্য— কৌমাৰভৃত্যাগতন্ত্ৰ-ভূতবিদ্যা-ৰসায়ন-বাজীকৰণ আদি অষ্টাঙ্গযুক্ত আয়ুর্বেদৰ বিভিন্ন তন্ত্ৰৰ ওপৰত ভালেমান মূল্যবান গ্ৰন্থ লিখি থৈ গৈছে। ইয়াৰে কিছুমান গ্ৰন্থ কালৰ সোঁততে হেৰাই গ'লেও, কিছুসংখ্যক গ্ৰন্থ আংশিকভাবেই হওক অথবা সম্পূৰ্ণৰূপেই হওক বৰ্তমান উপলব্ধ হৈ আছে।

বৰ্তমান উপলব্ধ আয়ুর্বেদ গ্ৰন্থসমূহৰ ভিতৰত চৰকসংহিতা, সুশ্ৰুতসংহিতা, অষ্টাঙ্গহৃদয়, মাধৱনিদানম্, ভাৱপ্ৰকাশিকা আদি গ্ৰন্থ অন্যতম তথা বৰ্তমান সম্পূৰ্ণৰূপে উপলব্ধ। আনহাতে কাশ্যপসংহিতা আংশিক ৰূপত উপলব্ধ তথা ভেলসংহিতা, হাৰীতসংহিতা সন্দেহজনক ৰূপত উপলব্ধ। আয়ুর্বেদৰ গ্ৰন্থসমূহৰ উপৰিও অগ্নিৱেশ, আত্ৰেয়, ভেল, ভৰদ্বাজ আদি আচাৰ্য্যৰ নাম প্ৰধানভাৱে পোৱা যায়। তাৰোপৰি 'ৰসৰত্নসমুচ্চয়', 'ভৈষজ্যৰত্নাৱলী', 'ৰসেন্দ্ৰসাৰসংগ্ৰহ', 'ৰসতৰঙ্গিণী' আদি গ্ৰন্থও উপলব্ধ।

এই অধ্যায়টোত আপুনি আয়ুর্বেদৰ প্ৰধান আচাৰ্য তথা তেওঁলোকৰ গ্ৰন্থসমূহৰ বিষয়ে জানিব পাৰিব।

৯.৩ আয়ুর্বেদৰ প্ৰাৰম্ভিক আচাৰ্য্য

ইতিমধ্যে কৈ অহা হৈছে যে, ব্ৰহ্মাই হৈছে আয়ুর্বেদৰ প্ৰথম প্ৰোক্তা তথা আচাৰ্য্য। সেই ব্ৰহ্মাই দক্ষ প্ৰজাপতিক সেই আয়ুর্বেদৰ জ্ঞান প্ৰদান কৰিছিল— 'ব্ৰহ্মণা হি যথা প্ৰোক্তমায়ুর্বেদং প্ৰজাপতিঃ।' (চৰক সংহিতা, সূত্ৰস্থান, ১/৪)। প্ৰজাপতিয়ে সেই জ্ঞান ইন্দ্ৰক প্ৰদান কৰিলে। ঋষি ভৰদ্বাজে ইন্দ্ৰৰ পৰা এই আয়ুর্বেদৰ জ্ঞান লাভ কৰিলে। ঋষি ভৰদ্বাজে এই আয়ুর্বেদৰ জ্ঞান সকলো ঋষিকে প্ৰদান কৰাৰ লগতে পুনর্বসু আত্ৰেয়কো পঢ়ালে। আত্ৰেয়ই তেওঁৰ ছয়জন শিষ্যক এই আয়ুর্বেদৰ জ্ঞান দিলে। এই শিষ্যকেইজন হৈছে— অগ্নিবেশ, ভেল, জতূকর্ণ, পৰাশৰ, হাৰীত আৰু ক্ষাৰপাণি। এই শিষ্যসমূহৰ ভিতৰত অগ্নিৱেশ আছিল আটাইতকৈ জ্ঞানী আৰু তেওঁ আছিল আয়ুর্বেদৰ প্ৰাৰম্ভিক লিখক। তেওঁ যিখন আয়ুর্বেদ তন্ত্ৰ ৰচনা কৰিছিল, সেইখনক 'অগ্নিৱেশতন্ত্ৰ' বুলি জনা যায়—

'বুদ্ধের্বিশেষস্তত্ৰাশীন্নোপদেশান্তৰং মুনেঃ।
তন্ত্ৰস্য কর্তা প্ৰথমমগ্নিৱেশো য়তোঽভৱৎ।।'

(চৰকসংহিতা, সূত্ৰস্থান, ১/৩২)

এই 'অগ্নিৱেশতন্ত্ৰকেই পিছৰ কালত 'চৰকসংহিতা' হিচাপে সংশোধন কৰা হৈছে। ইয়াৰ পিছত ভেল আদি শিষ্যসকলেও আয়ুর্বেদৰ তন্ত্ৰ ৰচনা কৰি গুৰু আত্ৰেয়ক শুনাইছিল। গুৰুৱে সেই তন্ত্ৰবোৰ শুনি সেইবোৰৰ প্ৰশংসা কৰিছিল—

'অথ ভেলাদয়শ্চক্রুঃ স্বং স্বং তন্ত্ৰং কৃতানি চ।
শ্ৰাৱয়ামাসুৰাত্ৰেয়ং সর্ষিসংঘং সুমেধসঃ।।
শ্রুত্বা সূত্ৰণমর্থানামৃষয়ঃ পূণ্যকর্মণাম্।

যথাবৎসূত্রিতমিতি প্রহৃষ্টাস্তে ঽনুমেনিৰে।।'

(চৰকসংহিতা, সূত্রস্থান, ১/৩৩-৩৪)

পুৰাতত্ত্ববিদসকলৰ মতে সংসাৰৰ প্ৰাচীনতম গ্ৰন্থ হৈছে ঋগ্বেদ। এই সংহিতাখনত আয়ুর্বেদৰ অতি মহত্ব সিদ্ধান্ত য'তে ত'তে সিঁচৰতি হৈ আছে। যজুর্বেদ, সামবেদ আৰু অথর্ববেদতো এনেকুৱা আয়ুর্বেদৰ বিষয়ৰ উল্লেখ পোৱা যায়। অথর্ববেদত শাৰীৰিক শাস্ত্ৰ, ঔষধি তথা চিকিৎসাৰ বিবিধ অঙ্গ আৰু বিধিৰ বর্ণনা প্রচুৰভাৱে পোৱা যায়। সেয়েহে আয়ুর্বেদক অথর্ববেদৰ 'উপবেদ' হিচাপে গ্রহণ কৰা হৈছে। বেদৰ পিছৰ ব্রাহ্মণ তথা উপনিষদ গ্ৰন্থত আয়ুর্বেদৰ ক্রমশঃ বিকশিত তথা বিস্তৃত বিতৰণ পোৱা যায়।

আয়ুর্বেদ সম্বন্ধীয় সিদ্ধান্তৰ শৃংখলাবদ্ধ তথা সুব্যৱস্থিত সংকলন বেদত নথকা কাৰণে পিছৰ কালৰ ঋষিসকলে কেবল আয়ুর্বেদসম্বন্ধীয় বিষয়ৰ ক্রমবদ্ধ সংকলনেৰে বহুত সংহিতাৰ নির্মাণ কৰিলে আৰু আয়ুর্বেদক কায়চিকিৎসা, শল্যতন্ত্ৰ, শালাক্যতন্ত্ৰ, কৌমাৰভৃত্য, ভূতবিদ্যা, বিষতন্ত্ৰ, ৰসায়ন আৰু বাজীকৰণ এই আঠোটা ভাগত বিভক্ত কৰিলে। সম্পূর্ণ আয়ুর্বেদ তথা ইয়াৰ বিভিন্ন অংগৰ ওপৰত বহুকেইজন আচার্য্যই বিভিন্ন সংহিতা ৰচনা কৰিবলৈ আৰম্ভ কৰে। কিন্তু দুর্ভাগ্যৰ কথা এয়ে যে আজি অগ্নিৱেশকৃত তথা চৰক আৰু দৃঢ়বলৰ দ্বাৰা প্রতি সংস্কৃত 'চৰকসংহিতা', আৰু নাগার্জুনৰ দ্বাৰা প্রতিসংস্কৃত 'সুশ্রুত-সংহিতা' পূর্ণৰূপত পোৱা যায়। আনহাতে বৃদ্ধজীৱকৰ দ্বাৰা প্রতিসংস্কৃত 'কাশ্যপসংহিতা' আৰু বৃদ্ধজীৱকৰ দ্বাৰা প্রতিসংস্কৃত 'কাশ্যপসংহিতা' আৰু 'ভেলসংহিতা' খণ্ডিত ৰূপত পোৱা গৈছে। 'হাৰীতসংহিতা' নামৰ আন এখন সংহিতা উপলব্ধ হৈছে যদিও, এইখনৰ প্রাচীনতা সম্পর্কে পণ্ডিতসকলৰ মাজত মতভেদ আছে। 'সুশ্রুতসংহিতা' শল্যতন্ত্রপ্রধান, আনহাতে 'চৰকসংহিতা' কায়চিকিৎসা প্রধান গ্ৰন্থ।

৯.৪ বৃহৎ-ত্রয়ী আৰু লঘুত্রয়ী

আয়র্বেদৰ মুখ্য গ্ৰন্থসমূহক লৈ দুটা থূল পোৱা যায়— বৃহৎত্রয়ী (Greater treatise) আৰু লঘুত্রয়ী (Lesser treatise)। 'ত্রয়ী' মানে হৈছে তিন। আয়ুর্বেদৰ তিনিখন মুখ্য গ্ৰন্থ বৃহৎত্রয়ীৰ অন্তর্গত। সেইকেইখন হ'ল— ১। চৰকৰ 'চৰকসংহিতা', ২। সুশ্রুতৰ 'সুশ্রুতসংহিতা', আৰু ৩। বাগভটৰ 'অষ্টাঙ্গসংগ্রহ' আৰু 'অষ্টাঙ্গহৃদয়'। আনহাতে আয়ুর্বেদৰ তিনিখন লঘুগ্রন্থক 'লঘুত্রয়ী' বুলি কোৱা হৈছে। লঘুত্রয়ীৰ অন্তর্গত তিনিখন গ্ৰন্থ হৈছে— ১। মাধৱাচার্য্যৰ 'মাধৱনিদান', ২। শাৰঙ্গধৰৰ 'শাৰঙ্গধৰসংহিতা' আৰু ৩। ভৱমিশ্রৰ 'ভাৱপ্রকাশ।'

৯.৪.১ চৰকসংহিতা

বর্তমান উপলব্ধ আয়ুর্বেদৰ সংহিতাসমূহৰ ভিতৰত 'চৰকসংহিতা' সর্বশ্রেষ্ঠ গ্ৰন্থ। ইয়াত চিকিৎসাবিজ্ঞানৰ মৌলিক তত্ত্বসমূহৰ যিমানখিনি বর্ণনা আছে, আন গ্ৰন্থত পোৱা নাযায়। সেই কাৰণে প্রাচীন পণ্ডিতসকলে কৈছে— 'চৰকস্তু চিকিৎসিতে'। চৰকৰ ৰচনা 'চৰকসংহিতা' অকল ভাৰতীয় চিকিৎসা বিজ্ঞানতে নহয়, বিশ্বৰ চিকিৎসাৰ

ইতিহাসতো ই এক উল্লেখযোগ্য ঘটনা।

চৰকসংহিতাৰ প্ৰতি অধ্যায়ৰ অন্তত পুষ্পিকাত দিয়া হৈছে যে— 'ইত্যগ্নিৱেশকৃতে তন্ত্রে চৰক প্ৰতিসংস্কৃতে' অর্থাৎ অগ্নিৱেশৰ দ্বাৰা ৰচিত তথা চৰকৰ দ্বাৰা প্ৰতি সংস্কৃত...'। আনহাতে গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত মৃত্যুলোকত আয়ুর্বেদৰ অৱতৰণ-ক্ৰমৰ সৈতে গ্ৰন্থখনৰ নির্মাতা হিচাপে অগ্নিৱেশৰ নাম উল্লেখ আছে। ইয়াত এনেদৰে পোৱা যায় যে, ব্ৰহ্মাৰ পৰা প্ৰজাপতিয়ে, প্ৰজাপতিৰ পৰা অশ্বিনীকুমাৰে, অশ্বিনীকুমাৰৰ পৰা ইন্দ্ৰই আৰু ইন্দ্ৰৰ পৰা ভৰদ্বাজে আয়ুর্বেদৰ অধ্যয়ন কৰিছিল। ভৰদ্বাজে আয়ুর্বেদৰ প্ৰভাৱেৰে দীর্ঘ, সুখী আৰু আৰোগ্য জীৱন লাভ কৰি অন্য ঋষিসকলৰ মাজত প্ৰচাৰ কৰিছিল। ইয়াৰ পিছত পুনর্বসু আত্ৰেয়ই অগ্নিৱেশ, ভেল, জতূকর্ণ, পৰাশৰ, হাৰীত আৰু ক্ষাৰপাণি নামৰ ছয়জন শিষ্যক আয়ুর্বেদৰ উপদেশ দিছিল। এই ছয়জন শিষ্যৰ ভিতৰত সকলোতকৈ বেছি বুদ্ধিমান অগ্নিৱেশে সর্বপ্রথম এখন সংহিতা নির্মাণ কৰিছিল। চৰকসংহিতাৰ প্ৰতিটো অধ্যায়ৰ শেষত থকা 'পুষ্পিকা' বাক্যশাৰীৰ দ্বাৰা এইটো স্পষ্ট হয় যে এই অগ্নিৱেশ তন্ত্রৰ প্ৰতিসংস্কাৰ পিছৰ কালত চৰকে কৰিছিল আৰু সেয়েহে এইখনৰ নাম 'চৰকসংহিতা' হৈ পৰিছিল। বর্তমান উপলব্ধ চৰকসংহিতাত স্পষ্ট উল্লেখ আছে যে 'চিকিৎসাস্থান'ৰ ১৭সংখ্যক অধ্যায় তথা ১২-১২ অধ্যায়ৰ 'কল্পস্থান' আৰু 'সিদ্ধিস্থান' পোৱা যোৱা নাছল, যিখিনি পিছত দৃঢ়বলে সম্পূর্ণ কৰিছিল। এইদৰে এই সংহিতাখনৰ লগত ভৰদ্বাজ, আত্ৰেয়, অগ্নিৱেশ, চৰক আৰু দৃঢ়বল— এই পাঁচজন আচার্য্যৰ সম্বন্ধ আছে।

চৰক সম্বন্ধে কোনো নির্দিষ্ট প্ৰামানিক তথ্য পোৱা নাযায়। কিছুমানৰ মতে চৰক আৰু অগ্নিৱেশ একেজনেই। কিন্তু চৰকসংহিতাৰ প্ৰতিটো অধ্যায়ৰ অন্তত পোৱা তথ্য অনুসৰি চৰক আৰু অগ্নিৱেশ ভিন্ন ব্যক্তি। কিন্তু এই চৰক কোন আছিল, এওঁৰ সময় কিমান আৰু এওঁ কোন প্ৰদেশৰ আছিল, এই সম্বন্ধে কোনো তথ্য পোৱা নাযায়। এই সম্বন্ধে পুৰাতত্ত্ববিদসকলে কেইটামান বিশেষ মত পোষণ কৰিছে। সেই মতবিলাকৰ ভিতৰত কেইটামান প্ৰধান মত হৈছে—

১। চৰক কুষাণবংশীয় ৰাজা কনিষ্কৰ ৰাজবৈদ্য আছিল।

২। পাতঞ্জল যোগসূত্র আৰু পাণিনীয় মহাভাষ্যকাৰ পতঞ্জলি আৰু চৰক এজনেই আছিল।

৩। 'ভাৱপ্রকাশ' নামৰ গ্ৰন্থত বর্ণিত ক্ৰমানুসৰি এওঁ 'বিশুদ্ধ' নামৰ এজন ঋষিৰ পুত্র তথা ভগৱান অনন্তৰ অৱতাৰ আছিল।

৪। এওঁৰ নাম কপিষ্ঠল চৰক আছিল। এওঁৰ নিৱাসস্থান পঞ্চনদ (পঞ্জাৱ) প্ৰদেশৰ ইৰাৱতী আৰু চন্দ্রভাগা নদীৰ মাজত স্থিত কপিস্থল নামৰ গাঁৱত আছিল।

৫। কৃষ্ণযজুর্বেদৰ টীকা (চৰকশাখা) কাৰ বৈশম্পায়ন-শিষ্য চৰকেই অগ্নিৱেশতন্ত্রৰ প্ৰতিসংস্কাৰকর্তা।

কিছুমান পণ্ডিতৰ মতে 'অগ্নিৱেশতন্ত্ৰ'ৰ ৰচনাকাল খ্ৰীষ্টপূৰ্ব ৬০০ শতিকা আৰু চৰকৰ সময় খ্ৰীষ্টপূৰ্ব ২০০ শতিকা। চৰকসংহিতাৰ কাল ২০০-৪০০ খ্ৰীষ্টপূৰ্ব বুলি ধৰা হয়।

চৰকসংহিতাত আঠটা স্থান অৰ্থাৎ অধ্যায় আছে। এই স্থানসমূহ হৈছে— সূত্ৰস্থান অথবা শ্লোকস্থান, নিদানস্থান, বিমানস্থান, শাৰীৰস্থান, ইন্দ্ৰিয়স্থান, চিকিৎসাস্থান, কল্পস্থান আৰু সিদ্ধিস্থান। ইয়াৰে ভিতৰত সূত্ৰস্থানত ৩০টা অধ্যায়, নিদানস্থানত ৮ টা অধ্যায়। বিমানস্থানত ৮ টা অধ্যায়, শাৰীৰস্থানত ৮ টা অধ্যায়, ইন্দ্ৰিয়স্থানত ১২টা অধ্যায়, চিকিৎসাস্থানত ৩০ টা অধ্যায়, কল্পস্থানত ১২ টা অধ্যায় আৰু সিদ্ধিস্থানত ১২ টা অধ্যায় আছে। এই সংহিতাখনত সৰ্বমুঠ ১২০ টা অধ্যায় আছে।

(ক) সূত্ৰস্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) দীৰ্ঘঞ্জীৱিতীয়, ২) অপামাংগতণ্ডুলীয়, ৩) আৰগ্বধীয়, ৪) ষড্‌বিৰেচনশতাশ্ৰিতীয়- এই চাৰিটা অধ্যায় ঔষধ সম্বন্ধীয়। ৫) মাত্ৰাশিতীয়, ৬) তস্যাশিতীয়, ৭) নৱেগান্ধাৰণীয়, ৮) ইন্দ্ৰিয়োপক্ৰমণীয়,— এই চাৰিটা অধ্যায়ত স্বস্থ মানুহৰ দ্বাৰা পালনযোগ্য নিয়মৰ উপদেশ আছে। ৯) খুড্ডাকচতুষ্পাদ, ১০) মহাচতুষ্পাদ, ১১) তিস্ৰৈষণীয়, ১২) বাতকলাকলীয়— এই চাৰিটা অধ্যাত চিকিৎসাত কৰিবলগীয়া অৰ্থাৎ কৰ্তব্যসমূহৰ নিৰ্দেশ আছে। ১৩) স্নেহাধ্যায়, ১৪) স্বেদাধ্যায়, ১৫) উপকল্পনীয়, ১৬) চিকিৎসা-প্ৰাভৃতীয়— এই চাৰিটা অধ্যায়ত ঔষধ-কল্পনা সম্বন্ধীয় নিয়মৰ নিৰ্দেশ আছে। ১৭) কিয়ন্তঃশিৰসীয়, ১৮) ত্ৰিশোফীয়, ১৯) অষ্টোদৰীয়, ২০) মহাৰোগাধ্যায়— এই চাৰিটা অধ্যায়ে ৰোগৰ বিষয়ত সংখ্যা আদিৰ নিৰ্দেশ কৰে। ২১) অষ্টৌনিন্দিতীয়, ২২) লঙঘনবৃংহণীয়, ২৩) সন্তৰ্পণীয়, ২৪) বিধিশোণিতিক— এই চাৰিটা অধ্যায়ত বিভিন্ন যোজনাৰ ব্যাখ্যা আছে। ২৫) যজ্জঃপুৰুষীয়, ২৬) আত্ৰেয়-ভদ্ৰকাপ্যীয়, ২৭) অন্নপানবিধি, ২৮) বিবিধাশিতপীতীয়— এই চাৰিটা অধ্যায়ত অন্ন-পান সম্বন্ধী নিয়মবোৰ কোৱা হৈছে। ২৯) দশপ্ৰাণায়তনিক, ৩০) অৰ্থেদশমহামূলীয়— এই দুটা অধ্যায় প্ৰাণ আৰু শৰীৰ বিষয়ক আৰু বৈদ্যৰ সম্বন্ধত কোৱা হৈছে।

(খ) নিদানস্থাতন থকা অধ্যায়সমূহৰ নাম ঃ

১) জ্বৰ-নিদান, ২) ৰক্তপিত্ত-নিদান, ৩) গুল্ম-নিদান, ৪) প্ৰমেহ-নিদান, ৫) কুষ্ঠ-নিদান, ৬) শোষ-নিদান, ৭) উন্মাদ-নিদান, ৮) অপস্মাৰ-নিদান।

(গ) বিমানস্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) ৰস-বিমান, ২) ত্ৰিবিধকুক্ষীয়, ৩) জনপদোদ্‌ধাংসনীয়, ৪) ত্ৰিবিধৰোগ বিশেষবিজ্ঞানীয়, ৫) স্ৰোতোবিমান, ৬) ৰোগানীকবিমান, ৭ ব্যাধিতৰূপীয়, ৮) ৰোগভিষগ্‌জিতীয়।

(ঘ) শাৰীৰস্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) কতিধাপুৰুষীয়, ২) অতুল্যগোত্ৰীয়, ৩) খুড্ডিকাগৰ্ভাবক্ৰান্তি, ৪) মহতী

গৰ্ভাবক্ৰান্তি, ৫) পুৰুষবিচয়, ৬) শৰীৰবিচয়, ৭) শৰীৰসংখ্যা, ৮) জাতিসূত্ৰীয়।

(ঙ) ইন্দ্ৰিয়স্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) বৰ্ণস্বৰীয়, ২) পুষ্পিতক, ৩) পৰিমৰ্শনীয়, ৪) ইন্দ্ৰিয়ালীক, ৫) পূৰ্বৰূপীয়, ৬) কতমানিশৰীৰীয়, ৭) পন্নৰূপীয়, ৮) অবাক্‌শিৰসীয়, ৯) যস্যশ্যাবনিমিত্তীয়, ১০) অনুজ্যোতীয়, ১২) গোময়চূৰ্ণীয়।

(চ) চিকিৎসাস্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) ৰসায়ন প্ৰকৰণ— ইয়াত চাৰিটা পাদ আছে, (ক) অভয়ামলকীয় ৰসায়ন, (খ) প্ৰাণকামীয় ৰসায়ন, (গ) কৰপ্ৰচিতীয় ৰসায়ন, (ঘ) আয়ুৰ্বেদসমূৎখানীয় ৰসায়ন। ২) বাজীকৰণ এই অধ্যায়টোত চাৰিটা পাদ আছে— (ক) সংযোগশৰমূলীয় বাজীকৰণ, (খ) আসক্তক্ষীৰীয় বাজীকৰণ, (গ) মাষপৰ্ণভৃতীয় বাজীকৰণ, (ঘ) পুমাঞ্জাতবলাদিক বাজীকৰণ, ৩) জ্বৰ, ৪) ৰক্তপিত্ত, ৫) গুল্ম, ৬ প্ৰমেহ, ৭) কুষ্ঠ, ৮) শোষ, ৯) উন্মাদ, ১০) অপস্মাৰ, ১১) ক্ষতক্ষীণ, ১২) শোফ, ১৩) উদৰ, ১৪) অৰ্শ, ১৫) গ্ৰহণী, ১৬) পাণ্ডুৰোগ, ১৭) হিক্কা-শ্বাস, ১৮) কাস, ১৯) অতিসাৰ, ২০) ছৰ্দি, ২১) বীসৰ্প, ২২) তৃষ্ণা, ২৩) বিষ, ২৪) মদ্যবিকাৰ (মদাত্যয়), ২৫) দ্বিব্ৰণীয়, ২৬) ত্ৰিমৰ্মীয়, ২৭) ঊৰুস্তম্ভ, ২৮) বাতব্যাধি, ২৯) বাতৰক্ত, ৩০) যোনিব্যাপদ।

(ছ) কল্পস্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) ফল (মদন ফল), ২) জীমূতক, ৩) ইক্ষ্বাকু, ৪) ধামাৰ্গৱ, ৫) বৎসক, ৬) কৃতবেধন, ৭) শ্যামা, ৮) চতুৰংগুল, ৯) তিল্বক, ১০) সুধা, ১১) সপ্তলা আৰু শঙ্খিনী, ১২) দন্তী।

(জ) সিদ্ধিস্থানত থকা অধ্যায়সমূহৰ নাম ঃ

১) কল্পনাধ্যায়, ২) পঞ্চকৰ্মীয়াধ্যায়, ৩) বস্তিসূত্ৰীয়, ৪) স্নেহব্যাপদিকী, ৫) নেত্ৰবস্তিব্যাপদিকী, ৬) বমনবিৰেচনব্যাপদিকী, ৭) বস্তিব্যাপদিকী, ৮) প্ৰাসৃতযৌগিকী, ৯) ত্ৰিমৰ্মীয়, ১০) বস্তিসম্বন্ধী, ১১) ফলমাত্ৰাবস্তি, ১২) উত্তৰবস্তি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'অগ্নিৱেশতন্ত্ৰ' কোনে ৰচনা কৰিছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ 'অগ্নিৱেশতন্ত্ৰ'খনৰ পৰৱৰ্তী নাম কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ শল্যতন্ত্ৰ প্ৰধান সংহিতা কোনখন?

.....

.....

প্ৰশ্ন নং ৪ ঃ আয়ুর্বেদৰ দুটা প্ৰধান শাখা কি কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ চৰকসংহিতা খনত কিমানটা অধ্যায় আছে?

.....

.....



জানি থোৱা ভাল

বিভিন্ন শাস্ত্ৰানুসৰি আয়ুর্বেদৰ অবতৰণ

১। চৰকসংহিতা অনুসৰি ঃ


ব্ৰহ্মা
|
দক্ষ প্ৰজাপতি
|
অশ্বিনীকুমাৰদ্বয় (অশ্বিনৌ)
|
ইন্দ্ৰ
|
ভৰদ্বাজ
|
আত্ৰেয় পুনর্বসু

অগ্নিবেশ ভেল জতুকর্ণ পৰাশৰ হাৰীত ক্ষাৰপাণি

২। সুশ্ৰুতসংহিতা অনুসৰি ঃ

ব্ৰহ্মা
|
দক্ষ প্ৰজাপতি
|
অশ্বিনৌ
|
ইন্দ্ৰ
|
ধন্বন্তৰি

ঔপধেন্ব বৈতৰণ ঔৰভ্ৰ পৌষ্কলাৱত কৰবীর্য্য গোপুৰৰক্ষিত সুশ্ৰুত



৯.৪.২ সুশ্ৰুত আৰু সুশ্ৰুতসংহিতা

আয়ুর্বেদৰ প্ৰামান্য গ্ৰন্থ হিচাপে সুশ্ৰুত সংহিতা অতি প্ৰাচীন তথা জনপ্ৰিয়। শল্যতন্ত্ৰৰ ওপৰত উপলব্ধ এইখনেই একমাত্ৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ। অকল ভাৰতবৰ্ষতেই নহয়, গোটেই পৃথিৱীৰে শল্যতন্ত্ৰৰ ওপৰত উপলব্ধ এইখনেই প্ৰাচীন একমাত্ৰ দলিল। সেয়েহে এই গ্ৰন্থখনৰ ৰচক সুশ্ৰুতক 'শল্যচিকিৎসাৰ জনক' বুলি কোৱা হয়।

বিশ্বামিত্ৰৰ পুত্ৰ সুশ্ৰুতক এই গ্ৰন্থখনৰ ৰচক বুলি কোৱা হয়। সুশ্ৰুতৰ সময় খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকা। কাশিৰাজ দিৱোদাস ধন্বন্তৰি এজন গুৰু আছিল। গুৰুৰ ওচৰত শিক্ষা লাভ সম্পৰ্কে সুশ্ৰুত-সংহিতাৰ আৰম্ভণিতে এটি সুন্দৰ ব্যাখ্যা পোৱা যায়।

এসময়ত ঔপধেনৱ, বৈতৰণ, উৰভ্ৰ, পৌষ্কলাবত, কৰবীৰ্য্য, গোপুৰৰক্ষিত, সুশ্ৰুত আদি ঋষিপুত্ৰসকলে আশ্ৰমত নিবাস কৰি থকা কাশিৰাজ দিবোদাস ধন্বন্তৰিক শল্যতন্ত্ৰৰ (Surgery) ওপৰত গুৰুত্ব প্ৰদান কৰি আয়ুর্বেদৰ জ্ঞান দিবলৈ তেওঁক অনুৰোধ কৰিলে। দিবোদাসে ইয়াতে সন্মতি প্ৰদান কৰিলে আৰু ক'লে যে, শল্যতন্ত্ৰই হৈছে আয়ুর্বেদৰ প্ৰথম আৰু প্ৰধান বিভাগ। অতীজৰে পৰা এই বিভাগটোৰ নাম আঘাত প্ৰাপ্তসকলৰ আৰোগ্যৰ ক্ষেত্ৰত (দেৱতা আৰু অসুৰসকলৰ যুদ্ধৰ সময়ত) তথা যজ্ঞপুৰুষৰ (গণেশ) বিচ্ছিন্ন হোৱা মুৰটো পুনৰ সংস্থাপনৰ ক্ষেত্ৰত, বেচিকৈ চর্চিত হৈছিল। আখ্যানৰ মতে যজ্ঞৰ মূৰটো ৰুদ্ৰই কাতি পেলাইছিল। তেতিয়া দেৱতাসকলে অশ্বিনীকুমাৱদ্বয়ক যজ্ঞৰ মূৰটো জোৰা লগাই দিবলৈ অনুৰোধ কৰিছিল। অশ্বিনীকুমাৱদ্বয়েও সেই অনুৰোধ ৰক্ষা কৰিছিল। আয়ুর্বেদৰ অন্য আঠোটা বিভাগতকৈ এই শল্য বিভাগটোৰ গুৰুত্ব বেচি আৰু ই অধিক জনপ্ৰিয়।

সুশ্ৰুত সংহিতাৰ মতে ভগৱান ব্ৰহ্মাই আয়ুর্বেদ উদ্ভাৱন কৰিছিল। দক্ষ প্ৰজাপতিয়ে ব্ৰহ্মাৰ পৰা সেই জ্ঞান আহৰণ কৰিছিল। তাৰ পিছত অশ্বিনীকুমাৱদ্বয়ে, অশ্বিনীকুমাৱদ্বয়ৰ পৰা ইন্দ্ৰই আৰু ইন্দ্ৰৰ পৰা ধন্বন্তৰিয়ে সেই জ্ঞান আয়ত্ব কৰিছিল। ধন্বন্তৰি আছিল আদিদেৱ আৰু তেওঁক বিষ্ণুৰ অবতাৰ বুলি বিষ্ণুপুৰাণত কোৱা হৈছে।

সুশ্ৰুত আৰু অন্যান্য শিষ্যসকলে দিবোদাস ধন্বন্তৰিৰ পৰা আয়ুর্বেদৰ জ্ঞান, বিশেষকৈ শল্যতন্ত্ৰ জ্ঞান আয়ত্ব কৰি গ্ৰন্থ ৰচনা কৰিছিল। সুশ্ৰুত সংহিতাত ধন্বন্তৰি আৰু সুশ্ৰুত একেজন বুলিয়েই কোৱা হৈছে। সেইবোৰ যিয়েই নহওক সুশ্ৰুতে দিবোদাসৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰি জীৱনজোৰা অশেষ ত্যাগেৰে তেওঁৰ বিখ্যাত 'শল্যতন্ত্ৰ' নামৰ গ্ৰন্থখন ৰচনা কৰিছিল। যিখন গ্ৰন্থক তেওঁৰ নাম অনুসৰি 'সুশ্ৰুত সংহিতা' নামেৰে কেইবাশ বছৰ পিছত নাগার্জুনে পুনৰ প্ৰকাশ কৰি উলিয়াইছিল।

সুশ্ৰুতসংহিতাৰ বিষয় বিভাজন ঃ

মূল সুশ্ৰুতসংহিতাত ১২০টা অধ্যায় আছিল। আটাইখিনি অধ্যায় পাঁচটা শাখাত (স্থান) অন্তর্ভুক্ত। এই স্থানকেইটা হৈছে— ১) সূত্ৰস্থান, এই বিভাগটোত ৪৬ টা অধ্যায় আছে, ২) নিদানস্থান, ইয়াত ১৬ টা অধ্যায় আছে, ৩) শাৰীৰস্থান, ইয়াত ১০ টা অধ্যায় আছে, ৪) চিকিৎসাস্থান, য'ত ৪০ টা অধ্যায় আছে, ৫) কল্পস্থান, ইয়াত ৮ টা অধ্যায় আছে।

বর্তমান উপলব্ধ সুশ্ৰুতসংহিতাত ১৪৬ টা অধ্যায় তথা ৬ টা বিভাগ আছে। আগৰ ১২০ টা অধ্যায়ৰ লগত ৬৬ টা অধ্যায়যুক্ত উত্তৰতন্ত্ৰ নামৰ ষষ্ঠ বিভাগটো পোৱা যায়। এই সংহিতাখনত গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখিবলৈ পোৱা যায়।

সূত্ৰস্থান — ৪৬ টা অধ্যায়যুক্ত এই বিভাগটোত আয়ুর্বেদৰ উৎপত্তি, মূল নীতি, শল্যৰ বিভিন্ন দিশ, শল্যৰ অস্ত্ৰ, কাৰিকৰী জ্ঞান, চিকিৎসকৰ দায়িত্ব, বেমাৰৰ বিভাগ আৰু কাৰণ আদি বিভিন্ন দিশ পোৱা যায়।

নিদানস্থান — ১৬ টা অধ্যায়যুক্ত এই বিভাগটোত ৰোগৰ কাৰণ বর্ণনা, ৰোগৰ নিদান, ৰোগৰ লক্ষণ, প্ৰধান ৰোগৰ ভাবী লক্ষণ আদি বিষয়সমূহ সামৰি লোৱা হৈছে।

শাৰীৰস্থান — ১০ টা অধ্যায়যুক্ত এই বিভাগটোৱে অব্যক্ত নিৰূপণ, গর্ভাবতৰণ প্ৰক্ৰিয়া, মানুহৰ শাৰীৰিক গঠন প্ৰক্ৰিয়া আদি বিষয়বোৰ সামৰি লৈছে।

চিকিৎসাস্থান — ৪০ টা অধ্যায়ৰ এই বিভাগটোত অস্ত্ৰোপচাৰ তথা ঔষধীয় চিকিৎসা দুয়োটা বিষয়তে গুৰুত্ব প্ৰদান কৰিছে। আনহাতে পঞ্চকর্ম, ৰসায়ন আৰু বাজীকৰণ বিষয়ৰ আলোচনাও এই বিভাগটোত পোৱা যায়।

কল্পস্থান — ১০ টা অধ্যায়বিশিষ্ট এই বিভাগটোত বিষ (Poisons)ৰ আলোচনা বিশেষভাৱে পোৱা যায়। খাদ্যবিষক্ৰিয়া, জলবিষক্ৰিয়া, জঙ্গম বিষ ক্ৰিয়া, প্ৰাণীসমূহৰ দ্বাৰা বিষক্ৰিয়া আদিও এই বিভাগটোৰ আলোচ্য বিষয়।

উত্তৰস্থান বা উত্তৰতন্ত্ৰ — এই বিভাগটোত ৬৬ টা অধ্যায় আছে। আয়ুর্বেদৰ বিভিন্ন বিষয় ইয়াত সামৰি লোৱা হৈছে। ইয়াত কিছুমান উপভাগ দেখিবলৈ পোৱা যায়। যেনে— ১) শাকল্যতন্ত্ৰ - ইয়াত ২৬ টা অধ্যায় আছে (নেত্ৰৰোগ সম্বন্ধীয় ২০ টা অধ্যায়, কর্ণৰোগৰ দুটা অধ্যায়, নাসাৰোগৰ দুটা অধ্যায়, শিৰোৰোগৰ দুটা অধ্যায়), ২) বালৰোগ - ইয়াত ১১ টা অধ্যায় আছে। ৩) কায়চিকিৎসা - ইয়াত ২৫ টা অধ্যায় আছে,

৪) অন্য বিষয়ত ৪ টা অধ্যায় (যেনে— ৰসভেদ, দোসভেদ, স্বাস্থ্য বৃত্ত, তন্ত্রযুক্তি - প্ৰত্যেকৰে একো একোটাকৈ অধ্যায়)।

সুশ্রুতসংহিতাৰ জনপ্ৰিয়তাৰ বাবে ভাষ্যকাৰসকলে এই গ্ৰন্থখনৰ ওপৰত ভাষ্য ৰচনা কৰিছিল। সৰ্বমুঠ ১৯ টা ভাষ্যৰ কথা শুনিবলৈ পোৱা যায়, কিন্তু, কেৱল ডলহনে লিখা ভাষ্যহে এতিয়া সম্পূৰ্ণকৈ উপলব্ধ। ডলহন আছিল খ্ৰীষ্টীয় ১২ শ শতিকাৰ আৰু তেওঁ লিখা ভাষ্যটোৰ নাম হৈছে 'নিৱন্ধ সংগ্ৰহ'।

৯.৪.৩ বাগভট আৰু তেওঁৰ অষ্টাঙ্গসংগ্ৰহ/অষ্টাঙ্গহৃদয়

বাগভট 'অষ্টাঙ্গসংগ্ৰহ' তথা 'অষ্টাঙ্গহৃদয়' গ্ৰন্থৰ ৰচক। 'অষ্টাঙ্গসংগ্ৰহ' গ্ৰন্থত তেওঁৰ নিজৰ পৰিচয় এনেদৰে দিছে যে প্ৰখ্যাত চিকিৎসক বাগভট তেওঁৰ ককাক আছিল। ককাকৰ নাম অনুসৰিয়েই তেওঁৰ নামো বাগভট হিচাপে ৰখা হৈছিল। বাগভটৰ দেউতাকৰ নাম আছিল সিংহগুপ্ত আৰু তেওঁ সিন্ধু প্ৰদেশৰ বাসিন্দা আছিল। তেওঁৰ পূৰ্বসূৰী গুৰু অৱলোকিতৰ পৰা জ্ঞান লাভ কৰিছিল আৰু পিতৃৰ পৰা উপদেশ লাভ কৰি বিভিন্ন চিকিৎসা শাস্ত্ৰ অধ্যয়নৰ অন্তত আয়ুর্বেদৰ অঙ্গসমূহ একত্ৰ কৰি এই গ্ৰন্থখন সংকলন কৰিছিল। বাগভটৰ সময় খ্ৰীষ্টীয় ৭ তম শতিকা বুলি জনা যায়।

অষ্টাঙ্গ সংগ্ৰহ ঃ অষ্টাঙ্গসংগ্ৰহ গ্ৰন্থখনৰ ৰচনা তথা প্ৰয়োজন সম্বন্ধে গ্ৰন্থখনৰ আৰম্ভণিতে বাগভটে এনেদৰে কৈছে— অমৃততুল্য আয়ুর্বেদৰ অৰ্থ বুজি ব্ৰহ্মাই ইয়াৰ শিক্ষা দক্ষ প্ৰজাপতিক প্ৰদান কৰিছিল। ইয়াৰ পিছত দক্ষ প্ৰজাপতিয়ে এই শাস্ত্ৰখন অশ্বিনীকুমাৰদ্বয়ক প্ৰদান কৰিলে আৰু তেওঁলোকে সেইখন শতক্ৰতু অৰ্থাৎ ইন্দ্ৰক প্ৰদান কৰিলে।

যেতিয়া পৃথিৱীত মানুহৰ বিভিন্ন ধৰণৰ বেমাৰ হ'বলৈ আৰম্ভ কৰিলে, তেতিয়া ধন্বন্তৰি, ভৰদ্বাজ, নিমি, কাশ্যপ, কশ্য, অলম্বায়ন আদি ঋষিসকলে পুনর্বসুৰ নেতৃত্বত ইন্দ্ৰৰ ওচৰত সহায় বিচাৰিলে। ইন্দ্ৰয়ো অথর্বেদৰ উপবেদ হিচাপে তেওঁলোকক অষ্টাঙ্গ যেনে— কায়চিকিৎসা (Internal medicine), বালতন্ত্ৰ (Paediatrics), গ্ৰহবিদ্যা (Psychiatry, ঊৰ্দ্ধাংগতন্ত্ৰ (ENT), শল্যতন্ত্ৰ (Surgery), দংষ্ট্ৰাচিকিৎসা (Toxicology), জৰাচিকিৎসা (Rejuvenation), আৰু বৃষতন্ত্ৰ (Aphrodisiacs) — এই অঙ্গযুক্ত আয়ুর্বেদৰ উপদেশ প্ৰদান কৰিলে। ইন্দ্ৰৰ পৰা আয়ুর্বেদ লাভ কৰাৰ পিছত ঋষিসকল মর্ত্যলৈ উভতি আহিল আৰু তেওঁলোকে প্ৰত্যেকে শাস্ত্ৰ লিখিবলৈ আৰম্ভ কৰে। লাহে লাহে তেওঁলোকে তেওঁলোকৰ শিষ্যসমূহ যেনে— অগ্নিবেশ, হাৰীত, ভেড়, মাণ্ডব্য, সুশ্রুত, কৰাল আদিক এই জ্ঞান প্ৰদান কৰিলে। ক্ৰমান্বয়ে এই শিষ্যসমূহেও নিজৰ নিজৰ গ্ৰন্থ প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰিলে।

এই আটাইবোৰ বিভাগৰ আটাইবোৰ গ্ৰন্থৰ জ্ঞান লাভ কৰিবলৈ হ'লে গোটেই জীৱনতে এজনৰ কাৰণে সম্ভৱ নহয়। সেয়েহে, 'অষ্টাঙ্গসংগ্ৰহ' গ্ৰন্থখন হৈছে এই আঠোটা

বিভাগৰ একত্ৰ সংগ্ৰহ। প্ৰত্যেকজন ব্যক্তিয়ে দৈনন্দিন জীৱনত প্ৰয়োগ কৰিবলগীয়া বিভিন্ন চিকিৎসা ব্যৱস্থা ইয়াত বৰ্ণিত হৈ আছে। এই গ্ৰন্থখনত মূলতঃ কায়চিকিৎসাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। 'অষ্টাঙ্গ সংগ্ৰহ' গ্ৰন্থখনত ৬ টা বিভাগ আছে আৰু প্ৰত্যেকটো বিভাগত কিছুমান অধ্যায় আছে। সেই অনুসৰি— ১) সূত্ৰস্থান - ইয়াত ৪০ টা অধ্যায় আছে, ২) শাৰীৰস্থান - ইয়াত ১২ টা অধ্যায় আছে, ৩) নিদানস্থান - ইয়াত ১৬ টা অধ্যায় আছে, ৪) চিকিৎসাস্থান - ইয়াত ২৪ টা অধ্যায় আছে, ৫) কল্পসিদ্ধিস্থান - ইয়াত ৮ টা অধ্যায় আছে, ৬) উত্তৰস্থান - ইয়াত ৫০ টা অধ্যায় আছে। সৰ্বমুঠ ১৫০ টা অধ্যায় আছে।

অষ্টাঙ্গ হৃদয় ঃ চৰক, সুশ্ৰুত, ভেল তথা হাৰীত সংহিতাৰ পৰা সাৰাংশ সংগ্ৰহ কৰি বাগভটে এই গ্ৰন্থখন ৰচনা কৰিছিল। এই গ্ৰন্থখন অতি ক্ষুদ্ৰও নহয় অথবা অতি বিস্তৃতও নহয়। বাগভটৰ মতে অষ্টাঙ্গ যুক্ত আয়ুৰ্বেদ মহাসাগৰৰ পৰা মন্থন কৰি অমৃতসম 'অষ্টাঙ্গসংগ্ৰহ' গ্ৰন্থখন পোৱা গৈছে। কম কষ্টতে অধিক ফল লাভৰ বাবে তেওঁ অষ্টাঙ্গ হৃদয় গ্ৰন্থখন ৰচনা কৰিছে—

'অষ্টাঙ্গবৈদ্যকমহোদধিমন্থনেন যোঽষ্টাঙ্গসংগ্ৰহমহাৰাশিপ্ৰাপ্তঃ।
তস্মাদনল্পফলমল্পসমুদ্যমানাং প্ৰীত্যৰ্থমেতদুদিতং পৃথগেৱ তন্ত্ৰম্।।'

(অষ্টাঙ্গহৃদয়, উত্তৰতন্ত্ৰ, ৪০/৮০)

লেখকৰ মতে 'অষ্টাঙ্গহৃদয়' গ্ৰন্থখন অধ্যয়ন কৰি দীৰ্ঘজীৱন, ভাল স্বাস্থ্য, উন্নতি, ধৰ্ম, অৰ্থ, সুখ যশ আদি লাভ কৰিব পাৰি। এই গ্ৰন্থখনৰ জৰিয়তে কোনো এজনে 'অষ্টাঙ্গসংগ্ৰহ' গ্ৰন্থখন সহজে বুজি পাবলৈ সক্ষম হ'ব। আয়ুৰ্বেদ সাগৰৰ হৃদয় হিচাপে এই গ্ৰন্থখন প্ৰয়োগ হ'ব। 'অষ্টাঙ্গহৃদয়' গ্ৰন্থখনত ৬ টা বিভাগ আছে আৰু এই বিভাগসমূহত থকা অধ্যায়ৰ সংখ্যা হৈছে— ১২০ টা আৰু ইয়াত ৭৪৪৪ টা শ্লোক আছে।

৯.৪.৪ মাধৱাচাৰ্য আৰু তেওঁৰ গ্ৰন্থ মাধৱনিদান

আয়ুৰ্বেদৰ তিনিটা আধাৰস্তম্ভ থাকে— হেতু, লিঙ্গ আৰু ঔষধ। এই তিনিটা বিষয়ৰ সমুচিত জ্ঞানে মানুহক যোগ্য চিকিৎসক কৰি গঢ়ি তোলে। মাধবাচাৰ্য্য প্ৰণীত 'মাধৱনিদান' অথবা 'ৰোগবিনিশ্চয়' গ্ৰন্থখন লিঙ্গজ্ঞান বিষয়ক গ্ৰন্থ। চিকিৎসা বিষয়ত সফলতা লাভ কৰিবলৈ হ'লে সৰ্বপ্ৰথম নিদানৰ আৱশ্যক হয়। ৰোগৰ নিদানৰ ক্ষেত্ৰত মাধবাচাৰ্য্যৰ দ্বাৰা ৰচিত মাধৱনিদানেই শ্ৰেষ্ঠ বুলি কোৱা হৈছে— 'নিদানে মাধৱঃ শ্ৰেষ্ঠঃ'।

চৰকসংহিতা, সুশ্ৰুতসংহিতা, অষ্টাঙ্গসংগ্ৰহ তথা অষ্টাঙ্গহৃদয় আদি গ্ৰন্থৰ পৰা মাধবাচাৰ্য্যই নিদানোপযোগী অংশসমূহ সংগ্ৰহ, সংশোধন, পৰিৱৰ্তন তথা পৰিবৰ্দ্ধন কৰি মাধৱনিদান গ্ৰন্থখন ৰচনা কৰে। এওঁৰ দেউতাকৰ নাম আছিল ইন্দুকৰ তথা তেওঁ

বঙ্গদেশীয় আছিল বুলি বহুকেইজন বিদ্বানে অনুমান কৰে। কিছুমান পণ্ডিতৰ মতে মাধবাচাৰ্য্যৰ সময় খ্ৰীষ্টীয় ৭ তম শতিকা তথা আন কিছুমানৰ মতে তেওঁ দ্বাদশ শতিকাৰ। মাধবকৰে তেওঁৰ গ্ৰন্থখনত কেবল প্ৰাচীন আয়ুৰ্বেদীয় সংহিতাসমূহৰ নিদানোপযোগী তথ্যকেই সংগ্ৰহ কৰা নাই, আনকি সেই সেই স্থানত সংক্ষিপ্ত আলোচনাও আগবঢ়াইছে। বাতব্যাধি, শূল, মেদোৰোগ, অম্লপিত্ত, স্ত্ৰীৰোগ আদি বিষয়ত তেওঁ স্বকীয় অভিমতো উপস্থাপন কৰিছে। এই গ্ৰন্থখনত ৬৯ টা অধ্যায়ত ১৫৫২ টা শ্লোক আছে। মাধৱনিদান গ্ৰন্থখনত থকা অধ্যায়সমূহৰ নামাকৰণ এনেধৰণৰ— পঞ্চনিদানলক্ষণম্, জ্বৰনিদানম্, অতীসাৰনিদানম্, গ্ৰহণীৰোগনিদানম্, অৰ্শোনিদানম্, ক্ৰিমিনিদানম্, ৰক্তপিত্তনিদানম্, কাসনিদানম্ ইত্যাদি। এই গ্ৰন্থখনৰ ওপৰত শ্ৰীবিজয়ৰক্ষিত আৰু শ্ৰীকণ্ঠদত্তই 'মধুকোশ' নামৰ এটি টীকা লিখে।

৯.৪.৫ শাৰঙ্গধৰ আৰু তেওঁৰ শাৰঙ্গধৰসংহিতা

ত্ৰয়োদশ শতিকাৰ ৰাস্থানৰ শাৰঙ্গধৰ এজন আয়ুৰ্বেদ আচাৰ্য্য। শ্ৰীশাঙ্গধৰাচাৰ্য্যই তেওঁৰ শাঙ্গধৰসংহিতা গ্ৰন্থখনৰ বিষয়বস্তুৰ অধিকাংশই চৰক, সুশ্ৰুত আদি প্ৰাচীন গ্ৰন্থ তথা কিছুমা ৰসশাস্ত্ৰ প্ৰতিনিধি গ্ৰন্থৰ পৰাও সংগ্ৰহ কৰিছে। এই গ্ৰন্থখনত পূৰ্বখণ্ড, মধ্যমখণ্ড তথা উত্তৰখণ্ড হিচাপে তিনিটা খণ্ড আছে। ৩২ টা অধ্যায়ত উপলব্ধ এই গ্ৰন্থখনত ২৬০০ শ্লোক আছে। ভাৱসিংহৰ পুত্ৰ আঢ়মল্লই এই গ্ৰন্থখনৰ ওপৰত 'দীপিকা' নামৰ এটি সংস্কৃত টীকা লিখে। এইখন মূলত দ্ৰব্যগুণ বিষয়ক শাস্ত্ৰ। গ্ৰন্থখনৰ ৰচনা কাল খ্ৰীষ্টাব্দ ১৫ শতিকা বুলি ধৰা হৈছে।

৯.৪.৬ ভাৱমিশ্ৰ আৰু তেওঁৰ ভাৱপ্ৰকাশ

'ভাৱপ্ৰকাশ' আয়ুৰ্বেদৰ এখন মূল গ্ৰন্থ। ভাৱমিশ্ৰৰ কাল ষোড়শ শতিকা বুলি ধৰা হৈছে। ভাৱপ্ৰকাশ গ্ৰন্থখনত তিনিটা খণ্ড আছে— পূৰ্বখণ্ড, মধ্যমখণ্ড আৰু উত্তৰখণ্ড। এই গ্ৰন্থখনত সকলো প্ৰকাৰৰ বানস্পতিক (উদ্ভিজ), প্ৰাণিজ তথা পাৰ্থিব পদাৰ্থৰ বৰ্ণনা পোৱা যায়। এই গ্ৰন্থখনত মুঠ ৭৩ টা অধ্যায় তথা ১০,৮৩১ টা শ্লোক পোৱা যায়। ইয়াৰ কেইটামান অধ্যায়ৰ নাম হৈছে— গৰ্ভপ্ৰকৰণম্, বালপ্ৰকৰণম্, দিনচৰ্য্যাদি প্ৰকৰণম্, মিশ্ৰপ্ৰকৰণম্, ৰোগীপৰীক্ষা প্ৰকৰণম্ আদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ধন্বন্তৰি আন এটা নাম কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ সুশ্রুত সংহিতাত কেইটা বিভাগ আছে?

.....

.....

প্ৰশ্ন নং ৮ ঃ বাগভটে ৰচনা কৰা গ্ৰন্থ দুখনৰ নাম কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ 'ৰোগবিনিশ্চয়' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

.....

.....

প্ৰশ্ন নং ১০ ঃ 'দীপিকা' নামৰ সংস্কৃত টীকাটো কোনখন গ্ৰন্থত আছে?

.....

.....

৯.৫ অন্যান্য সংহিতাসমূহ

কাশ্যপসংহিতা

কাশ্যপসংহিতা 'বৃদ্ধ জীৱকীয় তন্ত্ৰ' বুলিও জনা যায়। ঋষি কাশ্যপক ইয়াৰ কৰ্তা বুলি কোৱা হৈছে। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত এই গ্ৰন্থখন ৰচনা কৰা হয় বুলি জনা যায়। 'কৌমাৰভৃত্য' শাখাটোৱে গ্ৰন্থখনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। কাশ্যপসংহিতা এখন অসম্পূৰ্ণ গ্ৰন্থ। এই গ্ৰন্থখনত ২০০ অধ্যায় পোৱা যায়। অধ্যায়ৰ বিভাজনসমূহ নিম্নোক্ত প্ৰকাৰে কৰা হৈছে—

সূত্ৰস্থান — ইয়াত ৩০ টা অধ্যায় আছে।

নিদানস্থান — ইয়াত ৮ টা অধ্যায় আছে।

বিমানস্থান — ইয়াত ৮ টা অধ্যায় আছে।

শৰীৰস্থান — ইয়াত ৮ টা অধ্যায় আছে।

ইন্দ্ৰিয়স্থান — ইয়াত ১২ টা অধ্যায় আছে।

চিকিৎসাস্থান — ইয়াত ৩০ টা অধ্যায় আছে।

সিদ্ধিস্থান — ইয়াত ১২ টা অধ্যায় আছে।

কল্পস্থান — ইয়াত ১২ টা অধ্যায় আছে।

খিলভাগ — ইয়াত ৮০ টা অধ্যায় আছে।

ভেলসংহিতা ঃ আত্ৰেয়ৰ ছয়জন শিষ্যৰ ভিতৰত ভেলও অন্যতম। তেওঁ 'ভেলসংহিতা' নামৰ এখন আয়ুর্বেদ শাস্ত্ৰ ৰচনা কৰিছিল বুলি জনা যায়। ভেলসংহিতাত ৭ টা বিভাগ আছে। সেইকেইটা হৈছে— নিদানস্থান, বিমানস্থান, শৰীৰস্থান, ইন্দ্ৰিয়স্থান, চিকিৎসাস্থান, কল্পস্থান আৰু সিদ্ধিস্থান।

হাৰীতসংহিতা ঃ আত্রেয় পূণৰ্বসুৰ ছয়জন শিষ্যৰ ভিতৰত হাৰীতো এজন। হাৰীতে 'হাৰীতসংহিতা' নামৰ গ্ৰন্থখন ৰচনা কৰে। হাৰীতসংহিতাত চিকিৎসাৰ সকলোবোৰ বিধি পোৱা যায়। ইয়াত আয়ুর্বেদীয় বনস্পতিৰ দ্বাৰা চিকিৎসাৰ সম্যক্ ব্যৱস্থা বৰ্ণনা কৰা আছে। ইয়াত ৬ টা স্থান অথবা বিভাগ আছে— প্ৰথমস্থানম্, দ্বিতীয়স্থানম্, চিকিৎসাস্থানম্, সূত্ৰস্থানম্, কল্পস্থানম্ আৰু শৰীৰস্থানম্।

৯.৬ আয়ুর্বেদৰ অন্যান্য আচাৰ্য্যসকল

ধন্বন্তৰি ঃ ধন্বন্তৰি আছিল এজন আয়ুর্বেদৰ প্ৰধান আচাৰ্য্য। সুশ্ৰুতসংহিতাৰ মতে, ব্ৰহ্মাই আয়ুর্বেদ সৃষ্টি কৰিছিল। ব্ৰহ্মাৰ পৰা সেই জ্ঞান দক্ষপ্ৰজাপতিয়ে লাভ কৰে। দক্ষপ্ৰজাপতিৰ পৰা অশ্বিনীকুমাৰে, অশ্বিনীকুমাৰৰ পৰা ইন্দ্ৰই আৰু ইন্দ্ৰৰ পৰা সেই জ্ঞান ধন্বন্তৰিয়ে লাভ কৰে। ধন্বন্তৰি আছিল কাশিৰাজ তথা সন্যাসী। তেওঁৰ আন এটা নাম আছিল দিবোদাস। ধন্বন্তৰি শব্দটোৰ বুৎপত্তি এনেদৰে দিয়া হৈছে যে যিজনে শল্যতন্ত্ৰৰ শেষভাগলৈ গতি কৰিব পাৰে অথবা জ্ঞান লাভ কৰিবপাৰে— 'ধনুঃ শল্যশাস্ত্ৰম্। তস্যান্তং গচ্ছতি পাৰমীয়তীতি ধন্বন্তৰিঃ।'

পৰম্পৰা অনুসৰি ধন্বন্তৰি হৈছে এজন হিন্দু দেৱতা আৰু ভগবান বিষ্ণুৰ অৱতাৰ। পুৰাণত তেওঁক দেৱতাসকলৰ চিকিৎসক তথা আয়ুর্বেদ শাস্ত্ৰৰ প্ৰৱৰ্তক বুলি কোৱা হৈছে। দেবাসুৰৰ সাগৰ মন্থনৰ সময়ত তেওঁ এজন যক্ষ হিচাপে অমৃতৰ ঘট হাতত লৈ সমুদ্ৰৰ পৰা ওলাইছিল।

ভৰদ্বাজ ঃ ভৰদ্বাজ প্ৰাচীন ভাৰতীয় এজন ঋষি আছিল। চৰকসংহিতা অনুসৰি ভৰদ্বাজে ইন্দ্ৰৰ পৰা আয়ুর্বেদৰ জ্ঞান লাভ কৰিছিল। 'ঋক্তন্ত্ৰ' নামৰ গ্ৰন্থ অনুসৰি ব্ৰহ্মা, বৃহস্পতি, তথা ইন্দ্ৰৰ পিছত এওঁ চতুৰ্থজন ব্যাকৰণ প্ৰবক্তা আছিল। এওঁ ব্যাকৰণৰ জ্ঞান ইন্দ্ৰৰ পৰা লাভ কৰিছিল। মহৰ্ষি ভৰদ্বাজ ব্যাকৰণ, আয়ুর্বেদসংহিতা, ধনুর্বেদ, ৰাজনীতিশাস্ত্ৰ, যন্ত্ৰসৰ্বস্ব, অৰ্থশাস্ত্ৰ, পুৰাণ আদিৰ ওপৰত বিভিন্ন গ্ৰন্থ ৰচনা কৰা বুলি জনা যায়। বায়ুপুৰাণ অনুসৰি তেওঁ এখন আয়ুর্বেদসংহিতাও ৰচনা কৰিছিল। যাক আঠভাগত বিভক্ত কৰি শিষ্যসমূহক শিকাইছিল। চৰকসংহিতাৰ মতে, তেওঁ আত্রেয় পুনৰ্বসুক কায়চিকিৎসাৰ জ্ঞান প্ৰদান কৰিছিল।

আত্রেয় ঃ আত্রেয় ব্ৰহ্মাৰ মানস পুত্ৰ দেবৰ্ষিৰ পুত্ৰ আছিল। এওঁ চৰকসংহিতাৰ মূলগ্ৰন্থ 'অগ্নিৱেশতন্ত্ৰ'ৰ ৰচয়িতা অগ্নিৱেশ তথা তেওঁৰ সহপাঠী ভেড আদিৰ গুৰু আছিল। এওঁৰ বিশিষ্ট নাম পুনৰ্বসু তথা চন্দ্ৰভাগ আছিল। এওঁৰ খ্ৰীষ্টপূৰ্ব অষ্টম শতিকাৰ বুলি ধৰা হয় আৰু এওঁ গান্ধাৰ ৰজা নগ্নজিতৰ ব্যক্তিগত চিকিৎসক আছিল বুলি জনা যায়। চৰকসংহিতাৰ মতে পুনৰ্বসু আত্রেয়ৰ ৬ জন শিষ্যই আয়ুর্বেদৰ ৬ টা শাখাৰ গ্ৰন্থ ৰচনা কৰিছিল। আত্রেয়ৰ প্ৰধান ৬ জন শিষ্য আছিল— অগ্নিৱেশ, ভেল, জাতূকর্ণ, পৰাশৰ, হাৰিত আৰু ক্ষাৰপাণি। আত্রেয়ই ৰচনা কৰা গ্ৰন্থখন 'আত্রেয়সংহিতা' বুলি জনা যায়, য'ত ৪৬,৫০০ শ্লোক আছিল।

অগ্নিবেশ ঃ অগ্নিৱেশে মহৰ্ষি আত্রেয়ৰ পৰা আয়ুর্বেদ অধ্যয়ন কৰি 'অগ্নিবেশতন্ত্ৰ' নামৰ গ্ৰন্থ ৰচনা কৰিছিল, যিখনৰ প্ৰতি সংস্কাৰ চৰকৰ দ্বাৰা কৰা কাৰণে পিছৰ কালত 'চৰকসংহিতা' নামেৰে জনা যায়। শালিহোত্ৰ তথা শালকাপ্য সংহিতাতো এওঁৰ নাম উল্লেখ আছে। অগ্নিবেশ

বৈয়াকৰণ পাণিৰি পূৰ্ববৰ্তী আছিল আৰু এওঁৰ সময় খ্ৰীষ্টপূৰ্ব অষ্টম শতাব্দীৰ পৰা সপ্তম শতাব্দীৰ ভিতৰত ধৰা হৈছে। অগ্নিৱেশে বৌদ্ধধৰ্মৰ প্ৰবৰ্তক তথাগত বুদ্ধৰ লগতো আয়ুর্বেদৰ নানা দিক দৰ্শন সম্পৰ্কে আলোচনা কৰিছিল বুলি পণ্ডিতসকলে ক'ব খোজে।

ওপৰোক্ত আচাৰ্য্য তথা গ্ৰন্থসমূহৰ উপৰিও আন কেইখনমান উল্লেখযোগ্য আয়ুর্বেদ গ্ৰন্থ হৈছে—

১। ভৈষজ্যৰত্নাবলী, যিখন কবিৰাজ গোবিন্দদাসসেনৰ দ্বাৰা বিৰচিত। এইখন গ্ৰন্থত ঔষধি নিৰ্মাণ প্ৰক্ৰিয়াৰ বিৱৰণ পোৱা যায়।

২। অষ্টাঙ্গনিঘণ্টু, যিখন বাগভটে ৰচনা কৰিছিল, অষ্টম শতিকাত।

৩। পৰ্য্যায় ৰত্নমালা, যিখন মাধৱে ৰচনা কৰিছিল, নৱম শতিকাত।

৪। সিদ্ধসাৰনিঘণ্ট, যিখন ৰবিগুপ্তই নৱম শতিকাত ৰচনা কৰিছিল।

৫। দ্ৰব্যাৱলী আৰু দ্ৰব্যগুণসংগ্ৰহ, যি দুখন চক্ৰপাণিদত্তই ৰচনা কৰিছিল দশম- একাদশ শতিকাত।

৬। ৰসতৰঙ্গিনী, যিখন কবিৰাজ সদানন্দ শাস্ত্ৰী প্ৰণীত।

৭। ৰসৰত্নসমুচ্চয়, যিখন বাগভটে ৰচনা কৰিছে।

৮। ৰসেন্দ্রসাৰসংগ্ৰহ যিখন গোপালকৃষ্ণভট্টসূৰি বিৰচিত।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আয়ুর্বেদৰ প্ৰাচীন গ্ৰন্থসমূহৰ লগত চিনাকী হ'ব পাৰিলে।
- চৰকসংহিতাৰ বিষয়ে অৱগত হ'ল।
- সুশ্রুতসংহিতাৰ লগত পৰিচয় হ'ব পাৰিলে।
- আয়ুর্বেদৰ প্ৰাচীন আচাৰ্য্যবিলাকৰ বিষয়ে জানিব পাৰিলে।
- আয়ুর্বেদৰ প্ৰাচীন প্ৰধানগ্ৰন্থসমূহৰ নামবোৰ জানিব পাৰিলে।



৯.৮ অধিক জানিবলৈ

১) Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri, Ethical Publications.

২) Vyas, K.P., Kothari Y. K., (1998), *An Introduction to Ayurveda,* Delhi,

Chaukhamba Sanskrit Pratishthan.

৩) শাস্ত্ৰী, (পণ্ডিত) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* বাৰাণসী, চৌখম্ভা ভাৰতী অকাডেমী।

৪) Murthy, K. R. Srikanttha, (Translated), (2004), *Susruta Sainhita,* Varanasi Chaukhambha Orientalia.

৫) ত্ৰিপাঠী, (ড°) ৰবিদত্ত, (২০০৪), *অষ্টাঙ্গ সংগ্ৰহ,* দিল্লী, চৌখম্বা সংস্কৃত প্ৰতিষ্ঠান।

৬) ত্ৰিপাঠী, (ড°) ব্ৰহ্মানন্দ, (২০০৮), *মাধৱনিদানম্,* বাৰাণসী, চৌখম্বা সুৰভাৰতী প্ৰকাশন।

৭) কটকী, (ড°) প্ৰফুল্ল (অনু), (১৯৯৬), *বিজ্ঞানৰ সাধক,* গুৱাহাটী, বীণা লাইব্ৰেৰী।

৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অগ্নিৱেশে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ চৰকসংহিতা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সুশ্ৰুত সংহিতা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰদ্বাজ শাখা আৰু ধন্বন্তৰি শাখা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১২০ টা

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দিৱোদাস।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৬ টা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ অষ্টাঙ্গসংগ্ৰহ আৰু অষ্টাঙ্গহৃদয়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ মাধবাচাৰ্য্যই।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ শাৰঙ্গধৰসংহিতাত।

৯.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখক।

(ক) আয়ুর্বেদৰ প্ৰথম বক্তা কোন?

(খ) 'অগ্নিৱেশতন্ত্ৰক' কোনে প্ৰতিসংস্কৃত কৰিছে?

(গ) 'বৃহতত্ৰয়ী' কি কি?

(ঘ) 'চৰকসংহিতা'ত কিমানটা স্থান আছে?

(ঙ) 'অষ্টাঙ্গহৃদয়' গ্ৰন্থখন কোন কোন গ্ৰন্থৰ সাৰাংশ?

খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'চৰকসংহিতা'ৰ ওপৰত এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ 'সুশ্ৰুতসংহিতা'ৰ বিষয়বস্তু সংক্ষেপে লিখক।

প্ৰশ্ন ৩ ঃ 'বৃহতত্ৰয়ী'ৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ প্ৰাচীন আয়ুর্বেদ গ্ৰন্থসমূহৰ বিষয়ে এটি টোকা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক ঃ

অষ্টাঙ্গহৃদয়, ভাৱপ্ৰকাশ, শাৰঙ্গধৰসংহিতা, কাশ্যপসংহিতা।

*** ***** ***